**আজি উভতি চালে আচৰিত হওঁ, একেগৰাকী ব্যক্তিয়ে ইমান বিশাল দায়িত্ব ল'ব পাৰিছিল কেনেকৈ? সঁচা অৰ্থত তেওঁ গিৰিধৰ শৰ্মা আছিল 'ভীমকৰ্মা পুৰুষ।' অসম সাহিত্য সভাৰ সভাপতি হৈও তেওঁ কলেজৰ কাম-কাজলৈ অকণো আওকাণ কৰা নাছিল। সম্ভৱতঃ আৰ্য বিদ্যাপীঠ আছিল তেওঁৰ মনত এটা সাধনা।**

ড° জয়কান্ত শৰ্মা

### আৰ্য বিদ্যাপীঠৰ হীৰক জয়ন্তী বৰ্ষৰ উপলব্ধি



ৰোমন্থন

# ছাত্ৰ-শিক্ষকৰ যোগসূত্ৰ হ'ল শিক্ষাৰ বৈশিষ্ট্য

**১৯৬৩** চনৰ আগষ্ট মাহৰ প্ৰথম সপ্তাহ, তাৰিখটো মনত নাই। প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণীত নামভৰ্তি কৰিবলৈ গাঁৱৰ পৰা আহিছোঁ। কটন কলেজত প্ৰথম দিনাখন নামভৰ্তিকৰণৰ সুবিধা নাপাই দ্বিতীয় দিনৰ বাবে অপেক্ষা কৰিছোঁ। নিশাটো এগৰাকী সম্বন্ধীয় লোকৰ ঘৰত থাকোঁতে দাদাজনে পিতাক ক'লে— এওঁক আৰ্য বিদ্যাপীঠতে ভৰ্তি কৰাই নিদিয়া কিয়? গিৰিধৰ শৰ্মাই সেইখন ভাল কলেজ খুলিছে। পিতাই গিৰিধৰ শৰ্মাক ভালদৰে জানিছিল, কিন্তু কলেজখনত বিজ্ঞান শাখা আছে বুলিহে জনা নাছিল। এতেকে পিছদিনাখন কটন কলেজলৈ নগৈ অৰ্থাৎ বিদ্যাপীঠলৈ গ'লোঁ। তেতিয়া সেইখন কলেজৰ বিষয়ে বহুতেই নাজানে, তাতে কলেজখন আছে চেৰাপভাতী নামৰ দুৰ্গম ঠাইত। গিৰিধৰ শৰ্মাই ঠাই টুকুৰাৰ নাম বিদ্যাপীঠ নগৰ দিলেও নামটো জনাজাত হোৱা নাছিল।

আৰ্য বিদ্যাপীঠৰ চৌহদত সোমাই কেনেবা কেনেবা লাগিছিল। কলেজ চৌহদৰ বাহিৰৰ কথাই নকওঁ, ভিতৰৰ পৰিৱেশো মনোগ্ৰাহী নাছিল। কলেজখনৰ ভৱন বুলিবলৈ সাত-আঠটামান অসম আৰ্হিৰ শ্ৰেণীকোঠা, অ'ত-ত'ত ইটা-বালিৰ দ'ম। পিছফালে এখন প্ৰকাণ্ড পিটনি। অৱশ্যে একেটা চৌহদতে থকা আৰ্য বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়খনৰ ঘৰবোৰ তেতিয়া সম্পূৰ্ণ হৈছিল। পিতাৰ লগত গিৰিধৰ শৰ্মাই কথা-বতৰা পাতিলে। মোৰ নামভৰ্তিকৰণ হৈ গ'ল। কিন্তু সেই সময়ত কলেজত পূৰ্ণোদ্যমে পাঠদান চলি আছিল; কাৰণ কটন কলেজতকৈও আগতে নামভৰ্তিকৰণ হয় আৰ্য বিদ্যাপীঠত। অধ্যক্ষ গিৰিধৰ শৰ্মাই নিজে উঠি গৈ মোক বহিবলৈ শ্ৰেণীকোঠাটো দেখুৱাই দিলে। মোৰ হাতত কিতাপ-বহী একো নাই, সাজ-পোছাকো কলেজীয়াবিধৰ নহয়। তথাপি চৰম অস্বস্তিৰে পিছফালৰ বেঞ্চ এখনত বহিলোঁগৈ। সেয়াই আৰম্ভণি।

প্ৰথম অৱস্থাত কলেজত বিজ্ঞানৰ পৰীক্ষাগাৰ নাছিল; প্ৰেক্‌টিকেল ক্লাছবোৰ কৰিবলগীয়া হৈছিল উচ্চতৰ মাধ্যমিকৰ পৰীক্ষাগাৰত। কলেজত শিক্ষকৰো অভাৱ আছিল। কটন কলেজৰ ভালেমান বছা বছা অধ্যাপকে অবৈতনিকভাৱে আৰ্য বিদ্যাপীঠত পাঠদান কৰিছিলহি। স্থায়ীভাৱে অধ্যাপক নিযুক্তি দিবলৈ গিৰিধৰ শৰ্মাই বিশ্ববিদ্যালয়লৈ গৈ মেধাৱী ছাত্ৰৰ সন্ধান কৰিছিল। নিযুক্তি পোৱা নতুন অধ্যাপকসকলক শিক্ষকতাৰ বিভিন্ন মাত্ৰা আহৰণ কৰিবলৈ অধ্যক্ষগৰাকীয়ে সময়ে সময়ে পৰামৰ্শ দিছিল। আনহাতে, ছাত্ৰ-ছাত্ৰীসকলৰ লগতো তেওঁ ঘনিষ্ঠ সম্পৰ্ক ৰক্ষা কৰিছিল। তেওঁলোকৰ সমস্যাৰ বুজ লৈছিল। কিন্তু সকলোবোৰ সমস্যা সমাধান কৰিব পৰা নাছিল, সেইটোও সঁচা। বিভিন্ন উপলক্ষত তেওঁ ছাত্ৰ-ছাত্ৰীক স্পষ্টকৈয়ে কৈছিল— মই তোমালোকক বিশেষ সা-সুবিধা দিব পৰা নাই; কিন্তু এই সীমিত সা-সুবিধাৰ মাজেৰে তোমালোক মানুহ হ'ব লাগিব। তোমালোকে তুলসী গোৱালিনীৰ ত্যাগৰ কথা মনত ৰাখিবা।

তুলসী গোৱালিনী আছিল এগৰাকী নিৰক্ষৰ দৰিদ্ৰ মহিলা। যেতিয়া গিৰিধৰ শৰ্মাই কলেজৰ ভৱন নিৰ্মাণৰ বাবে দান-বৰঙনি বিচাৰি বিভিন্নজনৰ ওচৰত হাত পাতি ফুৰিছিল সেই সময়তে তুলসী গোৱালিনীয়ে উপযাচি এহেজাৰ টকা তেওঁৰ হাতত তুলি দিছিল। সেইখিনি আছিল মহিলাগৰাকীয়ে এটকা-দুটকাকৈ জমা কৰা সঞ্চিত ধন। লক্ষণীয় যে আজিও কলেজৰ এটা শ্ৰেণীকোঠা তুলসী গোৱালিনীৰ নামত উৎসৰ্গিত হৈ আছে। কলেজৰ ভৱন নিৰ্মাণৰ ক্ষেত্ৰত ফাগুনা কুৰ্মি নামৰ নিৰক্ষৰ বনুৱাজন হৈছিলগৈ গিৰিধৰ শৰ্মাৰ বিশ্বস্ত সহযোগী। ক'বলৈ গ'লে 'ফাগু-চাচা'ৰ অজ্ঞাতে কলেজৰ এচপৰা ইটাৰো ইফাল-সিফাল হ'ব নোৱাৰিছিল। আন্তঃগাঁথনিৰ সৰু-সুৰা সমস্যা সমাধানৰ বাবে অধ্যক্ষ শৰ্মা ছাৰে সততে ফাগু-চাচাৰ পৰামৰ্শ লৈছিল আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতি ফাগু-চাচাৰ সমৰ্পণৰ ভাৱো আছিল অতুলনীয়।



আৰ্য বিদ্যাপীঠত মই চাৰি বছৰ কটাইছোঁ ছাত্ৰ হিচাপে, তাৰ পাছত তাতে শিক্ষকতা কৰিছোঁ সুদীৰ্ঘ ছয়ত্ৰিছ বছৰ ধৰি; ক'বলৈ গ'লে যৌৱনৰ সোণোৱালী দিনবোৰৰ আৰু কৰ্মময় জীৱনৰ মুখ্য অধ্যায়টোৰ আৰ্য বিদ্যাপীঠতে আৰম্ভণি, আৰ্য বিদ্যাপীঠতে সামৰণি। এয়া আজি হীৰক জয়ন্তী বৰ্ষৰ উপলব্ধি। আৰ্য বিদ্যাপীঠ তিলতিলকৈ গঢ়ি উঠা চকুৰ আগতে দেখিছোঁ। কলেজৰ নতুন নতুন ভৱনৰ নিৰ্মাণ হ'ল, কলেজে ঘাটি মঞ্জুৰি পালে। অসমৰ ভিতৰতে স্নাতকোত্তৰ শ্ৰেণী খোলা প্ৰথমখন কলেজ হ'ল আৰ্য বিদ্যাপীঠ। এইখনেই নিজাববীয়াকৈ চিকিৎসালয় স্থাপন কৰা (ইউ জি চিৰ সহযোগত) অসমৰ প্ৰথম কলেজ, ইত্যাদি। উল্লেখযোগ্য যে চিকিৎসালয়খনে ওচৰৰ বাসিন্দাসকললৈও স্বাস্থ্য সেৱা আগবঢ়াইছিল।

কলেজখনৰ চালুকীয়া অৱস্থাৰে পৰা আৰ্য বিদ্যাপীঠৰ ছাত্ৰ-ছাত্ৰীয়ে সুখ্যাতি দেখুৱাবলৈ ধৰিলে। শদিয়াৰ পৰা ধুবুৰীলৈ, আনকি বৰাক উপত্যকাৰ পৰাও ছাত্ৰ-ছাত্ৰীয়ে আৰ্য বিদ্যাপীঠত ভিৰ কৰিছিলহি। ক'বলৈ গ'লে গিৰিধৰ শৰ্মাৰ কাৰ্যকালতে আৰ্য বিদ্যাপীঠ হৈ পৰিছিল উত্তৰ-পূৰ্বাঞ্চলৰ এখন নামজ্বলা বেচৰকাৰী শিক্ষানুষ্ঠান। অৰুণাচল, নগালেণ্ড আৰু মণিপুৰৰ পৰাও ছাত্ৰ-ছাত্ৰী আৰ্য বিদ্যাপীঠলৈ আহিছিল। পিছে পৰীক্ষাৰ ফলাফলতেই আৰ্য বিদ্যাপীঠৰ ছাত্ৰ-ছাত্ৰীৰ কৃতিত্ব সীমাবদ্ধ নাছিল। এন চি চি, এন এছ এছ, পৰ্বতাৰোহণ, খেলা-ধূলা, নাট আৰু গীত-মাততো তেওঁলোকে সুনাম আৰ্জিছিল।

আৰ্য বিদ্যাপীঠে যিটো বিদ্যায়তনিক আন্দোলন আৰম্ভ কৰিছিল সেইটোৱে অসমৰ বৌদ্ধিক জগতখনকো সমৃদ্ধ কৰি থৈছে। ইয়াৰ মূলতে হ'ল ছাত্ৰ-শিক্ষকৰ মাজৰ বিদ্যায়তনিক সহযোগিতা, যিটো পাঠদান আৰু পাঠগ্ৰহণৰ মাজতে সীমিত নাছিল। গিৰিধৰ শৰ্মাই কলেজত সঘনাই আলোচনা-চক্ৰ, কৰ্মশালা, বক্তৃতানুষ্ঠান আদিৰ আয়োজন কৰিছিল যদিও সেই সময়ত এনেবোৰ অনুষ্ঠান পতাটো বাধ্যতামূলক নাছিল। প্ৰতিটো বিভাগে প্ৰতি মাহতে বিষয় সম্পৰ্কীয় আলোচনা-চক্ৰ পতাটো এটা নিয়মত পৰিণত হৈছিল। এনে আলোচনা-চক্ৰত অধ্যক্ষ শৰ্মা ছাৰ নিজে উপস্থিত থাকি বিষয়বস্তুৰ অনুধাৱন কৰিছিল। এবাৰ ৰসায়ন বিভাগত 'তেজস্ক্ৰিয়তা' সন্দৰ্ভত অনুষ্ঠিত আলোচনা-চক্ৰখনত তেওঁ মন্তব্য কৰিছিল,— 'সিদিনা এই বিষয়ে পদাৰ্থ বিজ্ঞান বিভাগতো আলোচনা হৈছিল; মই যিটো বুজিছোঁ, তেজস্ক্ৰিয় ৰশ্মিবোৰৰ ভিতৰত গামা ৰশ্মিয়েই আটাইতকৈ শক্তিশালী নহয়নে?'

মনত ৰাখিব লাগিব গিৰিধৰ শৰ্মা নিজে আছিল কলেজ গৰকি নোপোৱা ছাত্ৰ। অত্যন্ত দৰিদ্ৰ পৰিয়ালৰ সন্তান হোৱা হেতুকে তেওঁ স্কুলৰ ডেওনা পাৰ হোৱাৰ পাছতে এম ভি স্কুলৰ শিক্ষক পদ গ্ৰহণ কৰিছিল, নামমাত্ৰ দৰমহাৰ টকাৰে ভায়েকক পঢ়ুৱাইছিল, বিধবা মাকৰ যত্ন লৈছিল আৰু প্ৰাইভেট পৰীক্ষাৰ্থীৰূপে ঢাপে ঢাপে বিশ্ববিদ্যালয়ৰ পৰীক্ষাবোৰত উত্তীৰ্ণ হৈছিল। তেখেত আছিল অসমীয়াৰ এম এ কিন্তু ব্যাকৰণ শাস্ত্ৰী হৈও বিজ্ঞানৰ বিষয়বোৰ যিমান মনোযোগেৰে শুনিছিল, সেইটো আছিল বিচুৰ্তি খাবলগীয়া কথা।

তেখেতে সততে আৰ্য বিদ্যাপীঠৰ ছাত্ৰ আৰু শিক্ষকক নতুন নতুন বিষয়ৰ সন্দৰ্ভত পাৰদৰ্শী ব্যক্তিসকলৰ সৈতে মত বিনিময়ৰ সুযোগ দিছিল। যাতে তেওঁলোকে বৌদ্ধিক উৎকৰ্ষতা লাভ কৰিব পাৰে। কলেজৰ শিক্ষকক গৱেষণা কৰিবলৈ অধ্যক্ষ শৰ্মা চাৰে প্ৰেৰণা যোগাইছিল। সেই সময়ত কলেজ শিক্ষকক গৱেষণাৰ বাবে জলপানি বা বিশেষ ছুটী দিয়া নহৈছিল, ইউ জি চিৰ দৃষ্টিতো পি এইচ ডি ডিগ্ৰীটো কলেজ শিক্ষকৰ বাবে অপ্ৰাসংগিক আছিল। কিন্তু গিৰিধৰ শৰ্মাই কৈছিল, 'আপোনালোকে যিটো বিষয়ত স্নাতকোত্তৰ পঢ়িলে আৰু যিটো বিষয়ত শিক্ষকতা কৰিব, সেইটো বিষয়ত গৱেষণা নকৰিব কিয়? পাঠদানৰ দায়িত্ব পালন কৰিও আপোনালোক অংশকালীন গৱেষণক ৰূপে ভৰ্তি হ'ব পাৰে।' নক'লেও হয় যে তেখেতৰ পৰামৰ্শ আছিল আদেশৰে নামান্তৰ। তাৰ ফলতে এসময়ত আৰ্য বিদ্যাপীঠ হৈ পৰিছিল অসমৰ ভিতৰতে সৰ্বাধিক ডক্টৰেট ডিগ্ৰীধাৰী শিক্ষকৰ কলেজ। শিক্ষক আৰু ছাত্ৰৰ সৈতে গিৰিধৰ শৰ্মাৰ সম্পৰ্ক আছিল অভিভাৱকসদৃশ। কোনোবা শিক্ষক অনুপস্থিত থাকিলে তেওঁ ছুটীৰ দৰ্খাস্তখনতকৈ অধিক গুৰুত্ব দিছিল শিক্ষকজনৰ সমস্যাৰ ওপৰতহে। একেদৰে ছাত্ৰ-ছাত্ৰীৰ পঢ়া-শুনাৰ অগ্ৰগতিৰ বিষয়ে তেওঁ সততে দৃষ্টি ৰাখিছিল। তেওঁ এটা শিক্ষাবৰ্ষত তিনিটাকৈ টাৰ্মিনেল পৰীক্ষা পতাৰ নিয়ম কৰিছিল আৰু টাৰ্মিনেল পৰীক্ষাৰ মাৰ্কশ্বীট ডাকযোগে অভিভাৱকলৈও পঠিয়াইছিল। কোনোবা ছাত্ৰই বিনা কাৰণতে পৰীক্ষা নিদিলে তেওঁ খুব বেয়া পাইছিল। এবাৰ ছাত্ৰ একতা সভাই কিবা কাৰণত প্ৰতিবাদৰ কাৰ্যসূচী লৈ টাৰ্মিনেল পৰীক্ষা বৰ্জন কৰাত অধ্যক্ষ শৰ্মা ছাৰে ছাত্ৰ সভাতে হুকহুকাই কান্দি দিছিল। আনহাতে হোষ্টেলৰ আৱাসীসকলে সময়মতে খোৱা-বোৱা কৰিছে নে নাই তাৰো খবৰ লৈছিল গিৰিধৰ শৰ্মাই। খোৱা-বোৱাৰ সমস্যা সম্পৰ্কে হোষ্টেলৰ ৰান্ধনি-যোগালীসকলৰ লগতো তেওঁ আলোচনা কৰিছিল।

আজি উভতি চালে আচৰিত হওঁ, একেগৰাকী ব্যক্তিয়ে ইমান বিশাল দায়িত্ব ল'ব পাৰিছিল কেনেকৈ? সঁচা অৰ্থত তেওঁ গিৰিধৰ শৰ্মা আছিল 'ভীমকৰ্মা পুৰুষ।' অসম সাহিত্য সভাৰ সভাপতি হৈও তেওঁ কলেজৰ কাম-কাজলৈ অকণো আওকাণ কৰা নাছিল। সম্ভৱতঃ আৰ্য বিদ্যাপীঠ আছিল তেওঁৰ মনত এটা সাধনা। মনত ৰাখিব লাগিব, কটন কলেজৰ সন্মানীয় অধ্যাপকৰ পদ স্বেচ্ছাই ত্যাগ কৰি এটা অনিশ্চয়তাৰে ভৰা পথ আঁকোৱালি লৈছিল গিৰিধৰ শৰ্মাই। গুৱাহাটীৰ আওহতীয়া ঠাই এটুকুৰাত এখন কলেজ প্ৰায় একক প্ৰচেষ্টাৰে নতুনকৈ স্থাপন কৰাটো কম প্ৰত্যাহ্বানমূলক নাছিল। কিন্তু তেওঁ পাৰিছিল। একেটা চৌহদতে বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীৰ পাঠদান কৰাটো তেওঁৰ কাৰ্যকালত সম্ভৱ হৈ উঠিছিল। আৰ্য বিদ্যাপীঠৰ যোগেদি তেওঁ যে এচাম যুৱক-যুৱতীক মানুহ কৰাৰ দায়িত্বহে গ্ৰহণ কৰিছিল, তেনে নহয়, এচাম উচ্চ শিক্ষিত ব্যক্তিক দায়িত্বশীল শিক্ষকৰূপেও তেওঁ গঢ় দি লৈছিল।

আৰ্য বিদ্যাপীঠৰ হীৰক জয়ন্তী বৰ্ষ উদ্‌যাপনৰ উপলক্ষত মাথোন গিৰিধৰ শৰ্মাৰে স্মৃতিচাৰণ কৰিলোঁ নেকি? এইটো সঁচা যে আৰ্য বিদ্যাপীঠ গঢ়াত ছাত্ৰ-শিক্ষক-অভিভাৱকৰ উপৰি অনেক পণ্ডিত, গৱেষক, আমোলা বিষয়া আৰু গণ্য-মান্য ব্যক্তিৰ উপৰি সাধাৰণ শুভাকাংক্ষী লোকৰ অনবদ্য অৱদান আছে। পিছে আৰ্য বিদ্যাপীঠ এটা বিদ্যায়তনিক আন্দোলন আছিল আৰু গিৰিধৰ শৰ্মা আছিল আন্দোলনটোৰ চিন্তানায়ক তথা চালিকা শক্তি। সিদিনা আৰ্য বিদ্যাপীঠলৈ গৈ দেখিলোঁ, ছাত্ৰ-প্ৰাক্তন ছাত্ৰ, শিক্ষক-অৱসৰপ্ৰাপ্ত শিক্ষক আৰু অধ্যক্ষ মিলি হীৰক জয়ন্তী বৰ্ষৰ সামৰণী অনুষ্ঠানৰ যি ৰূপৰেখা প্ৰস্তুত কৰিছে, তাৰো কেন্দ্ৰবিন্দুত আছে গিৰিধৰ শৰ্মাৰ নেতৃত্ব, ব্যক্তিত্ব আৰু উপলব্ধিৰ স্বীকৃতি। এইটো নিশ্চিয়কৈ ভাল লাগিবৰে কথা যে আৰ্য বিদ্যাপীঠৰ পৰিয়াল অন্ততঃ পথচ্যুত হোৱা নাই।

১৯৫৮ চনৰ ২৯ জুলাইত স্থাপিত হোৱা শিক্ষানুষ্ঠানটোৱে বিগত ছটা দশক ধৰি অসমৰ বৌদ্ধিক জগত আলোকিত কৰি ৰাখিছে। আৰ্য বিদ্যাপীঠৰ জৰিয়তে গিৰিধৰ শৰ্মাই সমাজলৈ দিয়া বাৰ্তাটো আছিল 'তমসো মা জ্যোতিৰ্গময়', অৰ্থাৎ 'আন্ধাৰৰ পৰা মোক পোহৰলৈ নিয়া'। তেওঁ জ্বলোৱা চাকিগছিয়ে আজিও পোহৰ বিলাবলৈ এৰা নাই, তাতেই পণ্ডিতপ্ৰৱৰ গিৰিধৰ শৰ্মাৰ ত্যাগৰ সাৰ্থকতা।

'আৰ্য' শব্দৰ অৰ্থ শ্ৰেষ্ঠ; হীৰক জয়ন্তী বৰ্ষৰ উপলক্ষত আৰ্য বিদ্যাপীঠৰ পৰিয়ালে শিক্ষানুষ্ঠানখনক শ্ৰেষ্ঠতাৰ পথত আগুৱাই নিবলৈ সংকল্পবদ্ধ হৈছে, তাৰ বাবে তেওঁলোকলৈ হিয়াভৰা ওলগ আৰু অভিনন্দন।

ফন: ৯৪৩৫৫-৫৪২০৫

**আজিকালি শিক্ষিত পিতৃ-মাতৃৰ এটি বা দুটিহে সন্তান। তেওঁলোকক লৈ শিক্ষিত পিতৃ-মাতৃৰ অযুত সপোন। একমাত্ৰ সন্তানটিক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি প্ৰতিযোগিতামূলক জগতখনত এজন সুনাগৰিক কৰি গঢ়ি তোলাটো তেওঁলোকৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ লক্ষ্য।**

